অসম

জুবিন গার্গৰ জন্মদিনৰ অনুষ্ঠানত অংশ ল'বলৈ ডিব্রুগড়ত কুণাল গাঞ্জেৰালা

জুবিন গার্গৰ ৫৪সংখ্যক জন্মদিন উপলক্ষে চৌকিডিঙি খেলপথাৰত অনুষ্ঠিত ‘সৃষ্টিৰ দিন’ অনুষ্ঠানত অংশ ল'বলৈ ডিব্রুগড়ত উপস্থিত হৈছে কণ্ঠশিল্পী কুণাল গাঞ্জেৰালা।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, আবেলি ৪:০৫



Dibrugarh for Zubeen Garg birthday programme (social media)

ডিব্রুগড়, ১৮ নৱেম্বৰ:

জুবিন গার্গৰ জন্মদিনৰ অনুষ্ঠানত অংশ ল'বলৈ ডিব্রুগড়ত কুণাল গাঞ্জেৰালা।প্রাণৰ শিল্পী জুবিন গার্গৰ ৫৪ সংখ্যক জন্মদিন উপলক্ষে ডিব্রুগড়ত আয়োজিত বিশেষ অনুষ্ঠানত অংশ ল'বলৈ বলীউডৰ জনপ্রিয় কণ্ঠশিল্পী কুণাল গাঞ্জেৰালা ডিব্রুগড়ত উপস্থিত হৈছে।

১৮ নৱেম্বৰত ডিব্রুগড়ৰ চৌকিডিঙী খেলপথাৰত "সৃষ্টিৰ দিন" শীর্ষক এক দিনজোৰা কার্যসূচীৰে জুবিন গার্গৰ জন্মদিন উদযাপন কৰা হৈছে।

কুণাল গাঞ্জেৰালা ডিব্রুগড় বিমানবন্দৰত উপস্থিত হোৱাৰ পাছত স্থানীয় আয়োজকসকলে তেওঁক পৰম্পৰাগত অসমীয়া গামোচা আৰু ফুলৰ থোপাৰে উষ্ম আদৰণি জনায়।

সন্ধিয়া চৌকিডিঙি খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত গাঞ্জাৰালাই অংশগ্রহণ কৰিব। ডিব্রুগড় বিমানবন্দৰত উপস্থিত হোৱাৰ পাছতে আয়োজকসকলে অসমীয়া ফুলাম গামোচা আৰু ফুলৰ থোপাৰে কণ্ঠশিল্পীগৰাকীক আদৰণি জনায়।

> গৰিমা শইকীয়া গার্গৰ আমন্ত্রণত পূর্বনির্ধাৰিত আন কার্যসূচী বাতিল কৰি জুবিন গার্গৰ জন্মদিনত শ্রদ্ধাঞ্জলি জনাবলৈ আহিছোঁ বুলি কুণাল গাঞ্জাৰালাই জনায়।

জুবিন গার্গ ফেন ক্লাব, বন্ধুবর্গ আৰু অসম শিল্পী সমাজৰ উদ্যোগত আয়োজিত ‘সৃষ্টিৰ দিন’ৰ কার্যসূচী পুৱা বত্তি প্রজ্বলনেৰে আৰম্ভ হয়। ইয়াৰ পাছতে জুবিন গার্গৰ জীৱন আৰু সৃষ্টিৰ আধাৰত চিত্রাংকন প্রতিযোগিতা অনুষ্ঠিত হয়।

অনুষ্ঠানত প্রায় ১০ হাজাৰ অনুৰাগী আৰু শিল্পীয়ে একেলগে জুবিন গার্গৰ কালজয়ী গীত ‘মায়াবিনী ৰাতিৰ বুকুত’ পৰিৱেশন কৰাৰ কার্যসূচীও ৰখা হৈছে। বিয়লি জুবিন গার্গৰ সৃষ্টিশীল যাত্রা, শিল্পকর্ম আৰু সংগীতৰ অৱদানক লৈ আলোচনা চক্র অনুষ্ঠিত হয়।

সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত কুণাল গাঞ্জাৰালাৰ লগতে জিত গাংগুলী, পাপন আৰু অসমৰ আন কেইবাগৰাকীও শিল্পীয়ে অংশগ্রহণ কৰাৰ কথা আছে।

কাইলৈ কুণাল গাঞ্জাৰালাই গুৱাহাটীলৈ গৈ জুবিন গার্গৰ সমাধিস্থলীত শ্রদ্ধাঞ্জলি জনাব বুলি জানিব পৰা গৈছে। তাৰ পাছত তেওঁ শিলচৰলৈ যাব। অহা ২১ নৱেম্বৰত ডিমা হাছাওৰ জাটিংগা মহোৎসৱতো কণ্ঠশিল্পীগৰাকীয়ে সংগীত পৰিৱেশন কৰিব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/4141/kunal-ganjawala-dibrugarh-zubeen-garg-birthday